بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## জলছা ছালানা জাৰ্মানি ২০২৪ চনৰ গুৰুত্ব আৰু উদ্দেশ্য সম্পৰ্কে বৰ্ণনা লগতে কিছুমান দোৱা পাঠ কৰাৰ প্ৰতি বিশেষ মনোযোগ আকৰ্ষণ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৩ আগষ্ট ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ ۔ الرَّحۡمٰنِ الرَّحِیۡمِ ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ ۔ اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আলহামদুলিল্লাহ আজি জলছা ছালানা জাৰ্মান আৰম্ভ হৈ আছে। জাৰ্মানৰ জামাতবোৰে মোক জলছাত দেখিব বিচাৰিছিল কিন্তু মানৱতাই মানুহৰ চাহিদাক বিচাৰে, সুস্বাস্থ্য ইয়াৰে এটা অংশ। সেই কাৰণে ডাক্তৰৰ পৰামৰ্শ অনুসৰি অন্তিম সময়ত জাৰ্মানৰ যাত্ৰা স্থগিত কৰিলো আৰু এয়াই সিদ্ধান্ত হ'ল যে ইয়াৰে পৰাই জাৰ্মান জলছাত অংশ গ্ৰহণকাৰী সকলৰ সৈতে সম্বোধিত হওঁ। এয়াও আল্লাহ তা'লাৰ কৃপাৰ ফলতেই লাভ হ'ব। দোৱা কৰিব আল্লাহ ইয়াৰ সৌভাগ্য দান কৰক।

এয়াও আল্লাহ তা'লাৰ অনুগ্ৰহ যে বৰ্তমান যুগৰ আৱিষ্কাৰৰ মাজত যোগাযোগৰ উপায়ও উলিয়াই দিছে। বহু লোক আছে যিসকলে সাক্ষাৎ কৰিব বিচাৰিছিল সেই সুযোগ আল্লাহ তা'লাই অইন কোনো সময়ত প্ৰদান কৰিব।

ডিউটি কৰা সকলো কৰ্মকৰ্তাক মই ক'ব বিচাৰো যে অতিথি সকলৰ আলপৈচানৰ বাবে যথাসম্ভৱ সেৱা আগবঢ়াব। দোৱাৰ সৈতে কাম কৰি থাকিব। এই উৎসাৰ সৈতে কাম কৰিব যে আমি হজৰত মছীহ মাওউদ (আঃ)য়ে মাত দিয়াৰ ফলত একত্ৰিত হৈছো, পৰিস্থিতি যেনেকুৱাও নহওঁক কিয় অতিথি সকলৰ সেৱা কৰিব লাগিব। আমি আমাৰ আচৰণ উন্নত কৰি সেৱা আগবঢ়াই যাব লাগিব। অতিথি সকলেও জলছাৰ গুৰুত্ব আৰু উদ্দেশ্যক বুজি পাব লাগিব; প্ৰত্যেক ধৰণৰ কষ্টক সহ্য কৰি জলছাৰ উদ্দেশ্যক সন্মুখত ৰাখিব।

সদায় স্মৰণ ৰাখিব যে আমাৰ ওপৰত আল্লাহৰ অনুগ্ৰহৰ মাজৰ এটা ডাঙৰ অনুগ্ৰহ হজৰত মছীহ মাওউদ (আঃ)ৰ মাধ্যমে আমালৈ প্ৰাপ্ত হৈছে যে বছৰত এবাৰ আমি একত্ৰিত হৈ নিজৰ আচৰণ আৰু আধ্যাত্মিক উন্নতি যেন কৰিব পাৰো। এনেকুৱা কাৰ্যসূচী প্ৰস্তুত কৰিব যিয়ে আমাক খোদাৰ নৈকট্য অৰ্জন কৰিব পাৰো আৰু

খোদাৰ প্ৰতি ভয় বৃদ্ধি কৰিব পাৰো। এই উদ্দেশ্যে এই দিনবোৰ অতিবাহিত কৰিব যে আমি উন্নত আদৰ্শ প্ৰদৰ্শন কৰি পৰস্পৰৰ অধিকাৰ সুৰক্ষা কৰি উৰ্ধ পৰ্যায়ৰ মৰ্যাদা অৰ্জন কৰিব পাৰো। গতিকে পৰস্পৰৰ মাজত প্ৰেম আৰু ভালপোৱাৰ বাতাবৰণ সৃষ্টি কৰিব, বিদ্বেষ ভাৱ আঁতৰ কৰিব আৰু আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰাৰ প্ৰয়াস কৰিব। প্ৰত্যেক ধৰণৰ অযথা কথাৰ পৰা আঁতৰত থাকিব। এইবোৰেই সেই বস্তু যাৰ প্ৰতি হজৰত মছীহ মাওউদ (আঃ)য়ে প্ৰত্যাশা কৰিছিল। এয়া সেই বস্তু যাক আল্লাহ তা'লাই পছন্দ কৰে সেই কাৰণে সেইজনাই আমাক সৃষ্টিকুলৰ মাজত শ্ৰেষ্ঠ জীৱ হিচাপে সৃষ্টি কৰিছে। জলছাত উপস্থিত হোৱা প্ৰত্যেক জন আহমদীয়ে এইসমূহ কথাৰ প্ৰতি দৃষ্টি দিয়া উচিত।

যদি আল্লাহৰ প্ৰতি ভালপোৱা, উন্নত আদৰ্শ প্ৰদৰ্শন কৰা, ভৃত্যসকলৰ অধিকাৰ আদায় কৰা আৰু তাকওৱা অৰ্জন কৰাৰ বাবে প্ৰয়াস অব্যাহত নাথাকে তেতিয়া জলছাত অহাৰ উদ্দেশ্য পূৰণ নহয়। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই কেতিয়াও এয়া নিবিচাৰো যে বৰ্তমান যুগৰ পীৰ সকলৰ নিচিনা বাহ্যিক প্ৰদৰ্শনীয়তা দেখুৱাৰ বাবে বয়াতকাৰী সকলক একত্ৰিত কৰো; বৰং যিটো কাৰণৰ বাবে মই এটা কৌশল উলিয়াইছো সেয়া হৈছে সৃষ্টিকুলৰ সংস্কাৰ।

গতিকে প্ৰত্যেক জন আহমদীয়ে এই কথা মনত ৰখা উচিত। যদি এই উদ্দেশ্য অৰ্জন কৰাৰ বাবে প্ৰয়াস কৰা হয় তেতিয়া জলছাত অহাৰ উদ্দেশ্য পূৰণ হ'ব। জলছাত অহা সত্ত্বেও যদি আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক স্থাপন নহয়, আচৰণত উন্নতি নাহে, এনকুৱা উপস্থিতি সকলৰ বাবে হজৰত মছীহ মাওউদ (আঃ)য়ে বেজাৰ প্ৰকাশ কৰিছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে সকলো বয়াতকাৰীয়ে এই নম্ৰ ব্যক্তিজনৰ প্ৰতি আনুগত্যৰ প্ৰতিশ্ৰুতি দিয়ক যাতে জগতৰ প্ৰতি প্ৰেম ঠাণ্ডা হৈ যায় আৰু নিজৰ খোদা আৰু ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি প্ৰেম হৃদয়ত বিজয় লাভ কৰে এনেকুৱা পৰিস্থিতি সৃষ্টি কৰিব যাৰ ফলত আখিৰাতৰ যাত্ৰা অপছন্দনীয় বুলি নাভাৱে।

সদায় মনত ৰাখিব যে পাৰ্থিৱ অনুগ্ৰহই যেন এজন আহমদীক ধৰ্মৰ পৰা আঁতৰত নাৰাখে। সেই বেপাৰ-বাণিজ্য বা জগতৰ অনুগ্ৰহই এজন আহমদীক খোদা তা'লাৰ ধন্যবাদ জ্ঞাপন কৰোঁতা যেন বনায় আৰু সেইজনাৰ ৰছুলৰ প্ৰতি হৃদয়ত বেছিকৈ প্ৰেম সৃষ্টি কৰক। গতিকে নিজৰ তাকওৱাৰ মৰ্যাদা উন্নীত কৰক।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে, খোদা তা'লাই এই জামাতৰ পৰা যি বিচাৰিছে সেয়া হ'ল এয়া যে সেই বাস্তৱ সত্য যি পৃথিৱীৰ পৰা নাইকিয়া হৈ পৰিছিল, আৰু সেই বাস্তৱ তাকওৱা আৰু পৱিত্ৰতা যি এই যুগত নাইকিয়া হৈ পৰিছিল সেয়া দ্বিতীয়বাৰ প্ৰতিষ্ঠিত কৰা। কৈছে, হে সেইসকল লোক যিসকলে নিজকে মোৰ জামাতত অন্তৰ্ভুক্ত কৰিছা, আকাশত তোমালোক তেতিয়া মোৰ জামাতত অন্তৰ্ভুক্ত হোৱা বুলি গণ্য হ'ব যেতিয়া তাকওৱাৰ পথত খোজ ৰাখিবা। আকৌ কৈছে খোদাৰ মহানতা নিজৰ হৃদয়ত স্থান দিয়া আৰু সেইজনাৰ তৌহিদৰ স্বীকাৰ কেৱল মৌখিক নহয় বৰং কাৰ্যক্ষেত্ৰত দেখুৱাব লাগিব, যাতে খোদা তা'লাও কাৰ্যক্ষেত্ৰ হিচাপে নিজৰ সূক্ষ্ম অনুগ্ৰহ তোমালোকৰ ওপৰত প্ৰকাশ কৰে।

গতিকে হজৰত মছীহ মাওউদ (আঃ)ৰ উক্ত নিৰ্দেশাৱলী নিজৰ সন্মুখত ৰখা উচিত। জলছাত অহাৰ এয়াই উদ্দেশ্য। সদায় এই চেষ্টা হোৱা উচিত যে প্ৰত্যেক কাম আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে হোৱা উচিত। সদায় এয়া স্মৰণ ৰাখিব আৰু এই কথাৰ প্ৰতি ধ্যান দিব আৰু মস্তিষ্কত এই কথা সদায় বহাই ৰাখিব যে মোৰ প্ৰত্যেক চাল-চলন আৰু শান্তি-প্ৰশান্তি খোদা তা'লাৰ দৃষ্টিৰ সন্মুখত।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বাৰ্ষিক জলছা আৰু খোদাৰ কথা বয়ান কৰি কৈছে যে এই জলছা আল্লাহৰ চিহ্নাৱলীৰ অন্তৰ্ভুক্ত; এই জলছাত অংশ গ্ৰহণ কৰাৰ এটা উদ্দেশ্য হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আধ্যাত্মিক উন্নতি কৰা, ইয়াৰ বহু ডাঙৰ মাধ্যম হৈছে আল্লাহৰ স্মৰণ। আল্লাহৰ স্মৰণ সম্পৰ্কে আল্লাহ

তা'লাই কৈছে যে যদি তুমি খোদাক স্মৰণ কৰা তেতিয়া আল্লাহও তোমাক স্মৰণ কৰিব। গতিকে সৌভাগ্যবান সেইজন ব্যক্তি যিজনে সেইজনাক প্ৰভু,মালিক আৰু সৃষ্টিকৰ্তা বুলি ভাবে। গতিকে এই গুৰুত্বপূৰ্ণ কামৰ প্ৰতি এইদিনবোৰতে সকলোৱে মনোযোগ দিয়া উচিত। এই উপলক্ষে মই কিছু মনোযোগ আকৰ্ষণ কৰিব বিচাৰো।

এইটো আছিল হজৰত খলিফাতুল মছীহ তৃতীয়ৰ এটা দিব্য দৰ্শন, তেখেতক এজন বয়জ্যোষ্ঠই কলে যদি জামাতৰ প্ৰত্যেকজন সদস্যই দুইশ বাৰ দৰূদ শ্বৰীফ **ছুবহানাল্লাহি বিহামদিহি ছুবহানাল্লাহিল আজিম, আল্লাহুম্মা ছাল্লি আলা মুহাম্মাদিও ওৱা আলে মুহাম্মদ** পঢ়িব, মধ্যম বয়সীয়াল সকলে এশবাৰ আৰু সৰু ল'ৰা-ছোৱালী সকলে ৩৩ বাৰ আৰু শিশু সকলে পিতৃ-মাতৃয়ে তিনি চাৰি বাৰ নিজেই পঢ়োৱাব। এইদৰে শ বাৰ ইস্তিগফাৰ (আল্লাহৰ ওচৰত ক্ষমা বিচৰা) কৰিব। মই ইয়াত এইটোও যোগ দিওঁ যে এশ বাৰ **ৰাববি কুল্লি শ্বায়য়িন খাদিমুকা ৰাববি ফাহফাজনি ওৱানছুৰনি ওৱাৰহামনি** পাঠ কৰিব। হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)ক দিব্য দৰ্শনত এয়াই দেখুৱা হৈছিল যে যদি এনেকুৱা কৰা তেন্তে এটা শক্তিশালী দুৰ্গৰ মাজত প্ৰৱেশ কৰিবা য'ত চয়তানে কেতিয়াও প্ৰৱেশ কৰিব নোৱাৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে জলছাৰ উদ্দেশ্যৰ ভিতৰত এয়াও এটা উদ্দেশ্য বয়ান কৰিছে যে একত্ৰিত হোৱা সকলে পৰস্পৰে পৰস্পৰৰ প্ৰতি পৰিচিত হ'ব আৰু প্ৰেমৰ বাতাবৰণ সৃষ্টি কৰিব; এই দিনবোৰতে পৰস্পৰৰ মাজত সম্পৰ্ক স্থাপন কৰিব যদি কোনো বিদ্বেষ ভাৱ সৃষ্টি হয় সেয়া আঁতৰ কৰাৰ বাবে পৰিপূৰ্ণ প্ৰয়াস কৰিব। আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে অযথা কথা সমূহৰ পৰা আঁতৰত থাকিব; কেৱল বিবাদ-কাজিয়াৰ পৰা আঁতৰতেই নাথাকিব বৰং নিজৰ যি পুৰণি কাজিয়া-বিবাদ আছে তাৰ ওপৰতও পৰস্পৰে পৰস্পৰৰ পৰা ক্ষমা বিচাৰিব, ব্যক্তিগত বিদ্বেষ দূৰ কৰিব, অভিযোগ উত্থাপন হয় যে সামান্য কথাক লৈ পৰস্পৰৰ মাজত বিদ্বেষ ভাৱ সৃষ্টি হয় তাৰ পিছত ব্যৱস্থাপনা প্ৰতিষ্ঠিত ৰখাৰ বাবে শাস্তিও দিব লগা হয় যাৰ ফলত কষ্টও হয়। এয়া নহয় যে আনন্দৰ সৈতে শাস্তি দিয়া হয়। সদায় মনত ৰাখিব যে জামাতৰ পৱিত্ৰতা আমিয়েই প্ৰতিষ্ঠিত কৰিব লাগিব। সেই কাৰণে ব্যৱস্থাপনাই বা যুগৰ খলিফাই কোনোবাক শাস্তি দিয়ে সেয়া জামাতৰ পৱিত্ৰতা প্ৰতিষ্ঠিত ৰখাৰ বাবে দিয়া হয়; কিয়নো জামাতৰ পৱিত্ৰতা সকলোবোৰ আত্মীয়তকৈ অধিক উৰ্ধ। এই কাৰণে বিষয়াসকলৰ ওপৰত বেছি দায়িত্ব অৰ্পিত হয় যে সিহঁতৰ মাজত অধিক সহ্য কৰাৰ ক্ষমতা হোৱা উচিত।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তোমালোকে হৃদয়ৰ মিছকীন হৈ যোৱা, মানৱজাতিৰ প্ৰতি সহানুভূতিশীল হোৱা যেতিয়া তোমালোকে বেহেস্তৰ সংবাদ দিওঁতে উপদেশ দিয়া। কৈছে খোদা তা'লাৰ নিৰ্দেশাৱলী হৃদয়ত ভয় ৰাখি পালন কৰা; তোমালোকক সোধ-পোছ কৰা হ'ব; নামাজত বহু দোৱা কৰা যাতে খোদা তা'লাই তোমাক নিজৰ ফালে টানি লয় আৰু তোমালোকৰ হৃদয় পৰিষ্কাৰ কৰে। আকৌ কৈছে যেতিয়ালৈকে মানুহে খোদা তা'লাৰ পৰা শক্তি নাপায় তেতিয়ালৈকে কোনোবাই বেয়া আঁতৰ কৰিবলৈ ক্ষমতা নাৰাখে। এই মৰ্যাদা যাক হজৰত মছীহ মাওউদ (আঃ)য়ে বয়ান কৰিছে সেইবোৰ নিজৰ ভিতৰত সৃষ্টি কৰাৰ প্ৰয়াস কৰিব লাগিব। যেতিয়া আপোনাৰ আচৰণ ভাল হ'ব তেতিয়া ইয়াতে উপস্থিত হোৱা অতিথি সকলেও ভাল প্ৰভাৱ লৈ যাব। এই ভাল আচৰণে এক নীৰৱ প্ৰচাৰৰ কাম প্ৰদৰ্শন কৰিব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কেনে বেদনা আৰু আবেগেৰে সৈতে নিজৰ জামাতৰ বাবে দোৱা কৰিছে তাৰ এটা নমুনা আপোনালোকৰ সন্মুখত উপস্থাপন কৰো। তেখেত (আঃ)য়ে কৈছে দোৱা কৰো আৰু যেতিয়ালৈকে মোৰ মাজত জীৱনৰ নিশ্বাস আছে তেতিয়ালৈক দোৱা কৰি থাকো সেই দোৱা এয়া যে খোদা তা'লাই এই জামাত লোকৰ হৃদয়খন পৱিত্ৰ কৰি দিয়ক আৰু নিজৰ কৃপাৰ হস্ত দীৰ্ঘ কৰি সিহঁতৰ হৃদয় আমাৰ ফালে ঘূৰাই দিয়ক আৰু সকলো প্ৰকাৰ দুষ্টতা আৰু বিদ্বেষ-ভাৱ সিহঁতৰ হৃদয়ৰ পৰা উঠাই দিয়া আৰু পৰস্পৰৰ মাজত প্ৰকৃত প্ৰেমৰ বাতাবৰণ সৃষ্টি কৰি দিয়া।

আল্লাহ তা'লা কৰক এই জলছা কল্যাণেৰে যেন ভৰি পৰে। জগতৰ পৰিস্থিতিৰ বাবেও দোৱা কৰিব। নিজৰ দেশৰ বাবেও দোৱা কৰিব, যেতিয়া আমি নিষ্ঠাৰ সৈতে আল্লাহ তা'লাৰ নিৰ্দেশাৱলী, ইছলামী শিক্ষা, ৰছুলুল্লাহ (ছাঃ)ৰ নিৰ্দেশাৱলী আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ নিৰ্দেশাৱলী অনুসৰি কাম কৰিম তেতিয়া আল্লাহ তা'লাই নিশ্চয় আমাৰ দোৱা শ্ৰৱণ কৰিব আৰু আমি জগতৰ পথ-প্ৰদৰ্শন হিচাপে সাব্যস্ত হ'ম।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 23 AUG 2024

## BOOK POST (PRINTED MATTER)

TO,

............................................................................................................................

............................................................................................................................

............................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা